participation conservation empowerment livelihood security

ASSAM PROJECT ON
FOREST & BIODIVERSITY
CONSERVATION

afd
AGENCE FRANÇAISE
DE DÉVELOPPEMENT

# ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতি
# (জে এফ এম চি)

**উত্তৰ লখিমপুৰ বনাঞ্চলিক, লখিমপুৰ বন সংমণ্ডল**
**উত্তৰ অসম চক্ৰ**

# ক্ষুদ্ৰ পৰিকল্পনা

**(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)**

**ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) ]

Approved

Divisional Forest Officer
Lakhimpur Division

জুন, ২০১৭

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ এফ ডি (AFD) | এজেন্সি ফ্রেন্সাইজি ডি ডেভেলপমেণ্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ পভাৰ্টী লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ (চেণ্টাৰ ফৰ মাইক্ৰ'-ফাইনেন্স এণ্ড লাইভলিহুড) |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| ডি এফ অ' (DFO) | সাংমণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ-উন্নয়ন সমিতি (ইক' ডেভেলপমেণ্ট ছ'চাইটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন (সংৰক্ষণ) আইন, ১৯৮১ (ফৰেষ্ট কনজাৰভেচন এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইট্‌ছ এক্ট) |
| এফ ভি (FV) | বনগাঁও (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চবাৰ্ষিক পৰিকল্পনা (ফাইভ য়েৰ্ছ প্লেন) |
| জি এইচ জি (GHG) | সেউজ গৃহ গেছ (গ্ৰীণ হাউছ গেছ) |
| জি অ' আই (GoI) | ভাৰত চৰকাৰ (গভৰ্ণমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (GP) | গাঁও পঞ্চায়ত |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন প্ৰৱন্ধন সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰষ্টে প্ৰডিউচ) |
| অ' বি চি (OBC) | অন্যান্য পিছপৰা শ্ৰেণী (আদাৰ বেকৱাৰ্ড ক্লাছেছ) |
| পি এইচ চি (PHC) | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (প্ৰাইমেৰী হেল্থ চেণ্টাৰ) |
| পি এম ইউ (PMU) | প্ৰকল্প নিৰীক্ষণ গোট (প্ৰজেক্ট মনিটৰিং ইউনিট) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পাৰ্টিচিপেটৰী ৰুৰেল এপ্ৰাইজেল) |
| এছ চি (SC) | অনুসূচিত জাতি (ছিডিউল কাষ্ট) |
| এছ ডি জি (SDG) | বহনক্ষম উন্নয়ন লক্ষ্য (ছাছটেইনেবল ডেভেলপমেণ্ট গ'ল্‌ছ) |
| এছ টি (ST) | অনুসূচিত জনজাতি (ছিডিউল ট্ৰাইব) |
| ডব্লিউ পি চি (WPC) | কৰ্মসূচী চক্ৰ (ৱৰ্কিং প্লেন চাৰ্কোল) |

# ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতি
## লখিমপুৰ বন সংমণ্ডল, উত্তৰ লখিমপুৰ বন আঞ্চলিক

## ১০ বছৰৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা
## (জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা)

<u>সূচীপত্ৰ</u>


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ক | ভূমিকা | ৩ |
| খ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | ৪ |
| গ | জীৱিকাৰ সুবিধা বিশ্লেষণ | ৮ |
| ঘ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১৪ |
| ঙ | বন উন্নয়ন পৰিকল্পনা | ১৫-৩১ |
| | **পৰিশিষ্ট তালিকা**<br>জীৱিকা সৃষ্টি কাৰ্যসূচীৰ বাবে চিনাক্ত হিতাধিকাৰীৰ প্ৰস্তাৱিত তালিকা<br>i) বয়ন | ৩২-৬২ |

## ক। ভূমিকা

| | |
|---|---|
| **কম্পেল'ৰ প্ৰকল্প সম্পৰ্কে (ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট,** COMPELO) ঃ | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সুসংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br><br>এই প্ৰকল্পটোলৈ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিজ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটী। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br><br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰাৰপ্ৰিনিঅ'ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন), আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br><br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান... বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **ৰূপহী ৰাজগড় জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ লখিমপুৰ জিলাত অৱস্থিত ৰূপহী ৰাজগড় জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ জৰিয়তে গাঁওবাসীৰ প্ৰয়োজনীয়তাৰ বিস্তৃত বিশ্লেষণ এই নথিত সন্নিৱিষ্ট হৈছে। উত্তৰ অসম বন চক্ৰৰ লখিমপুৰ বন সংমণ্ডলৰ ডুলুং সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত হৈছে তৰিয়নি বৰবিল জে এফ এম চি। গাঁওখনৰ লোকসকল অসমীয়া, আদিবাসী (চাহ জনজাতি) আৰু নেপালী সম্প্ৰদায়ৰ। পৰৱৰ্তী অধ্যায়ত সম্প্ৰদায়সমূহৰ সবিশেষ উল্লেখ কৰা হৈছে। |

| | |
|---|---|
| | এই ক্ষুদ্ৰ পৰিকল্পনা গাঁওখনত বাস কৰা সম্প্ৰদায়সমূহৰ পুৰুষ আৰু মহিলাসকলৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। ২০১৭ চনৰ মাৰ্চ মাহত ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰপ্ৰিনিঅ'ৰশ্বিপ, গুৱাহাটীৰ বিষয়ববীয়া আৰু সম্প্ৰদায়টোৱে গ্ৰহণ কৰা অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পি আৰ এ)ৰ জৰিয়তে এই নথি প্ৰস্তুত কৰা হৈছে। প্ৰকল্প নিৰ্দেশনা অনুসৰি আই আই ই-এ এই ক্ষুদ্ৰ পৰিকল্পনা সংযোজিত কৰিছে। ২০১৭ চনৰ এপ্ৰিলত এই নথি গ্ৰহণ কৰাৰ বাবে আলোচনাত চূড়ান্ত কৰা হয়। |

## খ। ৰূপহী ৰাজগড় জে এফ এম চিৰ আৰ্থ-সামাজিক ৰূপৰেখা

**অৱস্থিতি**

২০০৮ চনত এই গাঁৱৰ বাসিন্দাসকলক সামৰি লোৱাৰ উদ্দেশ্যৰে ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতি (জে এফ এম চি) গঠন কৰা হৈছিল। উক্ত জে এফ এম চিয়ে সামৰি লোৱা অঞ্চলসমূহ অসমৰ লখিমপুৰ জিলাৰ বগীনদী ৰাজহ চক্ৰৰ অন্তৰ্গত।

পৰিশিষ্ট ১ (খ)ত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে।

**মূল তথ্য**

**তালিকা-ক ঃ জে এফ এম চিৰ মূল তথ্য**

| | |
|---|---|
| **জে এফ এম চিৰ নাম** | ৰূপহী ৰাজগড় |
| **বাসস্থান** | ৰূপহী ৰাজগড় |
| **ৰাজহ গাঁৱৰ নাম** | ৰূপহী ৰাজগড় |
| **গাঁও পঞ্চায়ত/ভি চি ডি চি** | ওখমাটি |
| **ৰাজহ চক্ৰৰ নাম** | বগীনদী চক্ৰ |
| **জিলা** | লখিমপুৰ |
| **বন সংমণ্ডল** | লখিমপুৰ সংমণ্ডল |
| **বন আঞ্চলিক** | উত্তৰ লখিমপুৰ |
| **বন লাট** | পথালিপাম |
| **গঠনৰ বছৰ** | ২০০৮ |
| **জে এফ এম চিৰ চাৰিসীমা** | তলত উল্লেখ কৰা ধৰণে ঃ<br>উত্তৰ ঃ অৰুণাচল প্ৰদেশ<br>দক্ষিণ ঃ উত্তৰ-পূব সীমান্ত ৰে'ল ষ্টেচন<br>পশ্চিম ঃ গাগৰনদী<br>পূব ঃ ৰাজআলি |

**উৎস** ঃ জে এফ এম চি তথ্য আৰু ২০১৭ৰ মাৰ্চত অনুষ্ঠিত পি আৰ এ অনুশীলনৰ সময়ত হোৱা আলোচনা।

অতিৰিক্ত বৰ্ণনা তথ্য-I (পৰিশিষ্ট-৬)ৰ তালিকা-১ত প্ৰদান কৰা হৈছে।

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ</td>
<td>ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>ৰাজেন ভৰালী</td></tr>
<tr><td>সদস্য সচিবৰ নাম</td><td>অতুল বৰুৱা</td></tr>
<tr><td>কোষাধ্যক্ষৰ নাম</td><td>দীলিপ শইকীয়া</td></tr>
<tr><td rowspan="3">কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষ ঃ ৯</td></tr>
<tr><td>মহিলা ঃ ৪</td></tr>
<tr><td>মুঠ ঃ ১৩</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>৮৬ (জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ একোজন প্ৰাপ্তবয়স্ক ইয়াত প্ৰতিনিধি হিচাপে ৰখা হৈছে)</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ তথ্য।</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনসংখ্যা গাঁথনি</td>
<td>গাঁওখনত বাস কৰা পৰিয়ালৰ সংখ্যা হৈছে ৮৬টা। মহিলা মুৰব্বীৰ নেতৃত্বত চলা পৰিয়াল নাই। গাঁওখনৰ মুঠ জনসংখ্যা হৈছে ৪৩০জন। ইয়াৰে ২৫৮জন পুৰুষ আৰু ১৭২গৰাকী মহিলা। মুঠ জনসংখ্যাৰ ৫৬জন অন্যান্য পিছপৰা শ্ৰেণী আৰু বাকীখিনি সাধাৰণ শ্ৰেণীৰ লোক।<br><br>উপৰোক্ত তথ্যৰ অধিক বিৱৰণৰ বাবে তথ্য-(I)ৰ তালিকা-২ চাব পাৰে।<br><br>ইয়াৰ পৰা জনা যায় যে ঃ<br><br>১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৫জন (৮৬টা পৰিয়ালৰ)<br><br>২) গাঁওখনৰ লিংগ অনুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে ৬৬৬গৰাকী মহিলা। গাঁওখনৰ মহিলাৰ শতকৰা হাৰ (৪০ শতাংশ) পুৰুষৰ শতকৰা হাৰ (৬০ শতাংশ)ৰ তুলনাত কম।</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা বিকাশ</td>
<td>ৰূপহী ৰাজগড় গাঁৱৰ ৩৬.৭৪ শতাংশতকৈ অধিক লোক শিক্ষিত আৰু ৬৩.২৫ শতাংশ অশিক্ষিত (তথ্য-Iৰ তালিকা-৪)। গাঁওখনৰ অধিকাংশ লোকে স্কুল পৰ্যায়ৰ শিক্ষা লাভ কৰিছে। আনহাতে, মাত্ৰ কেইটামান পৰিয়ালতহে মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষা লাভ কৰা লোক আছে।<br><br>আনুষ্ঠানিক আৰু অনানুষ্ঠানিক— এই দুই ধৰণৰ জীৱিকা উন্নয়ন কাৰ্যসূচী গাঁওবাসীয়ে গ্ৰহণ কৰি আহিছে। ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতিত অনানুষ্ঠানিক দক্ষতা উন্নয়নৰ অৰ্থ হৈছে পৰম্পৰাগতভাৱে গ্ৰহণ কৰা দক্ষতা। তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত পৰম্পৰাগত দক্ষতা আছে ঃ<br><br>ক) বয়ন<br><br>খ) বাঁহ-বেতৰ কাম</td>
</tr>
</table>

| | |
|---|---|
| | গ) চাহ খেতিয়ক<br>ঘ) কাঠমিস্ত্ৰী<br>ঙ) দোকান (গেলামাল, কম্পিউটাৰ আদি)<br>সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে। এনে কোনো আঁচনিৰ পৰা এতিয়ালৈকে গাঁওবাসী উপকৃত হোৱা নাই। কিয়নো গাঁওখন অথবা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত তেনে কোনো আঁচনি ৰূপায়ণ কৰা হোৱা নাই। |
| **ৰূপহী ৰাজগড় জে এফ এম চিৰ ভূমিৰ প্ৰকাৰ** | প্ৰকল্প গ্ৰহণ কৰা অঞ্চলৰ ভূমিৰ প্ৰকাৰ এনেধৰণৰ ঃ<br>■ সমতল অঞ্চলৰ ভূমি বালিয়া মাটি।<br>এনে প্ৰকাৰৰ ভূমি যথেষ্ট সাৰুৱা হোৱা বাবে বিভিন্ন ধৰণৰ খেতিৰ বাবে উপযোগী। |
| **পানীৰ উৎসৰ পৰ্যাপ্ততা** | এই অঞ্চলটোৰ মাজেৰে গাগৰনদী বৈ গৈছে। এই নদী অৰুণাচল প্ৰদেশৰ পাদদেশৰ পাহাৰৰ পৰা প্ৰকল্প অঞ্চললৈ বৈ আহিছে আৰু দক্ষিণে ভীমপৰা নদীৰ লগত সংযোগ হৈছে। এই নদীখন বছৰজুৰি বৈ থাকে। |
| **জলবায়ু ঃ উষ্ণতা আৰু বৰষুণ** | জলবায়ু আৰু বতৰৰ বাৰ্ষিক গড় অৱস্থা তলত দিয়া ধৰণৰ ঃ<br>ক) গ্ৰীষ্মকালত অঞ্চলটোৰ সৰ্বোচ্চ তাপমাত্ৰা হৈছে ৩৩ ডিগ্ৰী চেলচিয়াছ আৰু শীতকালত সৰ্বনিম্ন তাপমাত্ৰা হৈছে ৯ ডিগ্ৰী চেলচিয়াছ।<br>খ) অঞ্চলটোৰ গড় তাপমাত্ৰা হৈছে ২৪ ডিগ্ৰী চেলচিয়াছ আৰু বৰষুণৰ পৰিমাণ হৈছে ১২৯.৩ মিলিমিটাৰ।<br>গ) প্ৰতিবছৰে বাৰ্ষিক বৰষুণৰ পৰিমাণ হৈছে ১৫৫১.৩ মিলিমিটাৰ। বাৰিষাৰ সময়ছোৱাত (জুন-ছেপ্টেম্বৰ) সাধাৰণতে এক তৃতীয়াংশ বৃষ্টিপাত হয়।<br>ঘ) গ্ৰাষ্মৰ সময়ত গাঁওখনৰ আৰ্দ্ৰতাৰ পৰ্যায় হৈছে ৭০-৮৮ শতাংশ। শীতকালত আৰ্দ্ৰতাৰ পৰ্যায় হৈছে ৭০-৭৯ শতাংশ। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | স্থানীয় বনাঞ্চলসমূহ সংৰক্ষিত বনাঞ্চলৰ শ্ৰেণীভুক্ত কৰা হৈছে। বনাঞ্চলসমূহত গমাৰি, শিলিখা, ভোমোৰা, ঔটেঙা, নেফাফু, থেকেৰা আদি গছ আৰু ঔষধি গছ পোৱা যায়। এই সন্দৰ্ভত অতিৰিক্ত তথ্য 'বন উন্নয়ন পৰিকল্পনা'ত উল্লেখ কৰা হৈছে। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতিৰ ভূমি ব্যৱহাৰৰ ধৰণ পৰিশিষ্ট-২ত বহলাই উল্লেখ কৰা হৈছে। এই পৰিশিষ্ট অনুসৰি পৰ্যবেক্ষণ কৰা কিছু গুৰুত্বপূৰ্ণ তথ্য নিম্নোল্লিখিত ধৰণৰ ঃ<br>ধাননি পথাৰ ঃ ৪৪.৪৯ শতাংশ<br>ক্ষতিগ্ৰস্ত বনাঞ্চল ঃ ২৭.৯৭ শতাংশ<br>নদী ঃ ৫.০০ শতাংশ<br>ৰাস্তা ঃ ২.৬০ শতাংশ<br>বসতি স্থান ঃ ১৯.৯৪ শতাংশ |

| | |
|---|---|
| **ভূমি ধাৰণ** | প্ৰতিটো পৰিয়ালৰ ভূমি ধাৰণৰ ধৰণ **তথ্য-(I)**ৰ **তালিকা-৬**ত উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>■ ৬.৯৭ শতাংশ পৰিয়াল ভূমিহীন (৬টা পৰিয়াল)<br>■ ৪০.৬৯ শতাংশ পৰিয়াল উপান্ত কৃষক। অৰ্থাৎ ২ হেক্টৰতকৈ কম ভূমিৰ অধিকাৰী (৩৫টা পৰিয়াল)<br>■ ৫২.৩২ শতাংশ পৰিয়াল ক্ষুদ্ৰ খেতিয়ক। অৰ্থাৎ ২-১০ হেক্টৰ ভূমিৰ অধিকাৰী (৪৫টা পৰিয়াল) |
| **পশুধন** | ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতিৰ মুঠ পশুধনৰ সংখ্যা হৈছে ১৫০২টা। পৰিয়ালসমূহে প্ৰতিপালন কৰা পশুধনৰ প্ৰকাৰ হৈছে এনেধৰণৰ ঃ<br>গৰু ঃ ৪০০টা<br>ছাগলী ঃ ২৪০টা<br>কুকুৰা ঃ ৮৪২টা<br>বলধ ঃ নাই<br>ম'হ ঃ ২২০টা<br>গাহৰি ঃ নাই<br>হাঁহ ঃ ২০টা<br>ওপৰত উল্লিখিত তথ্যৰ সবিশেষ বিৱৰণ **তথ্য-(I)**ৰ **তালিকা-৭**ত দাঙি ধৰা হৈছে। |
| **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ নিৰ্বাহক্ষম উপায় উন্নয়নত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। **তথ্য-(I)**ৰ **তালিকা-৮**ত গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে।<br>ওপৰৰ তালিকাৰ পৰা গাঁওখনৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্দৰ্ভত তলৰ তথ্যসমূহ লাভ কৰিব পাৰি ঃ<br>**বাস্তৱিক আন্তঃগাঁথনি ঃ** অঞ্চলটোৰ জনসাধাৰণে মৌলিক বাস্তৱিক আন্তঃগাঁথনি যেনে উন্নত ৰাস্তা, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, বিদ্যুৎ শক্তি, পানী যোগান, মোবাইল নেটৱৰ্ক আদি যথেষ্ট শোচনীয়।<br>**শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ** অঞ্চলটোত শৈক্ষিক প্ৰতিষ্ঠান আৰু স্বাস্থ্য ব্যৱস্থাৰ ন্যূনতম সুবিধাখিনিও নাই। ৰাজহুৱা পৰিবহণ আৰু বজাৰ উপলব্ধ নহয়। যাৰফলত অঞ্চলটোৰ লোকসকলে এঠাইৰ পৰা আনঠাইলৈ যাবলৈ চাইকেল ব্যৱহাৰ কৰে।<br>**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয় (যেনে আৰক্ষী থানা ৫ কিলোমিটাৰ দূৰৈত ৰাজহ কাৰ্যালয় ৫ কিলোমিটাৰ দূৰৈত, ৰে'ল ষ্টেচন ৩ কিলোমিটাৰ দূৰৈত আদি) গাঁওখনৰ পৰা যথেষ্ট দূৰৈত। গাঁওখনৰ লগতে ইয়াৰ নিকটৱৰ্তী অঞ্চলৰ পৰা নিয়মীয়া ৰাজহুৱা পৰিবহণৰ সুবিধা নথকাৰ বাবে গাঁওবাসী অসুবিধাৰ সন্মুখীন হৈছে। |

| | |
|---|---|
| | **বিত্তীয় প্ৰতিষ্ঠান ঃ** গাঁওখনৰ পৰা বিত্তীয় প্ৰতিষ্ঠান যেনে বেংক (১২ কিলোমিটাৰ দূৰৈৰ গোগামুখ) আৰু ডাকঘৰ (৭ কিলোমিটাৰ দূৰৈৰ পথালিপাম) যথেষ্ট দূৰৈত। গাঁওবাসীৰ ২৫জন সদস্যৰ দূৰৈৰ স্থানত বেংক একাউণ্ট আছে। |
| **কৃষিশস্য** | ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতিৰ কৃষিশস্যৰ সবিশেষ **তথ্য-(I)ৰ তালিকা-৯ত** বিশদভাৱে উল্লেখ কৰা হৈছে।<br>উক্ত তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>খাৰিফ শস্য (বৰ্ষাকালীন) ঃ ধান (আইজুং, পংকজ, বাও, জহা, বড়া)<br>ৰবি শস্য (শীতকালীন) ঃ সৰিয়হ (ব্ৰেছিকা জুনচিয়া এল), আলু (ছ'লানাম টিউবাৰ'চাম), বিলাহী (ছ'লানাম লাইক'পাৰছিকাম এল)<br>অন্যান্য ঃ আনাৰস, আম, কঁঠাল, বন্ধাকবি, তামোল, নেমু, ফুলকবি, জলকীয়া, বেঙেনা আদি<br>বেছিভাগ শস্যই বৰ্ষাভিত্তিক। |
| **ধান, শাক-পাচলি, ফলমূল আদি সম্পৰ্কীয় শস্য উৎপাদন ৰূপৰেখা** | ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতিত শস্যৰ উৎপাদন আৰু উৎপাদনৰ হাৰৰ সবিশেষ **তথ্য-(I)ৰ তালিকা-১০ত** উল্লেখ কৰা হৈছে।<br>অধিকাংশ পৰিয়ালে ধান, শাক-পাচলি, ফলমূল আৰু চাহৰ খেতি কৰি আহিছে।<br>এই শস্যসমূহৰ উৎপাদন আৰু উৎপাদনৰ হাৰ তলত উল্লেখ কৰা ধৰণৰ ঃ<br>ক) ধান ঃ উৎপাদন ঃ ২৬০০ কুইণ্টল হাৰ ঃ ৪৪.৩০ হেঃ/কুঃ<br>খ) পাচলি ঃ উৎপাদন ঃ ১২০০ কুইণ্টল হাৰ ঃ ৩৭.৪৭ হেঃ/কুঃ<br>গ) ফল-মূল ঃ উৎপাদন ঃ ৩০০ কুইণ্টল হাৰ ঃ ২৭.২৪ হেঃ/কুঃ<br>ঘ) চাহ ঃ উৎপাদন ঃ ৫০০ কুইণ্টল হাৰ ঃ ৩১.২৫ হেঃ/কুঃ |
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁওখনত পশুখাদ্যৰ পৰ্যাপ্ততা **তথ্য-(I)ৰ তালিকা-১১ত** সন্নিৱিষ্ট কৰা হৈছে। জে এফ এম চিখনৰ পশুখাদ্যৰ মূল উৎসসমূহ হৈছে ঃ<br>ক) শস্যৰ অৱশিষ্ট<br>খ) বনাঞ্চলৰ চৰণীয়া পথাৰ<br>গ) ঘৰুৱা পেলনীয়া বস্তু<br>ঘ) সেউজীয়া ঘাঁহ-বন |
| **বজাৰ যেনে গেলামাল, সাপ্তাহিক, অৰ্ধ-সাপ্তাহিক, প্ৰধান বজাৰ** | ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতিৰ পৰা বিভিন্ন বজাৰৰ দূৰত্ব **তথ্য-(I)ৰ তালিকা-১২ত** উল্লেখ কৰা হৈছে। গাঁওবাসীয়ে ব্যৱহাৰ কৰা বজাৰসমূহ হৈছে ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকান ঃ গাঁৱৰ ভিতৰত<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ২ কিলোমিটাৰ দূৰত্বৰ আনন্দ বজাৰ<br>গ) প্ৰধান বজাৰ ঃ ১২ কিলোমিটাৰ দূৰত্বৰ গোগামুখ |

| | |
|---|---|
| **জল সম্পদ** | **তথ্য-(I)ৰ তালিকা-১৩ত** জল সম্পদসমূহৰ বিষয়ে সন্নিৱিষ্ট কৰা হৈছে। পানী উপলব্ধ হোৱা প্ৰধান জল সম্পদসমূহ এনেধৰণৰ ঃ<br>ক) নদী ঃ (পানীৰ পৰ্যাপ্ততা ঃ ঋতু অনুযায়ী)<br>খ) কুঁৱা ঃ (পানীৰ পৰ্যাপ্ততা ঃ ঋতু অনুযায়ী) |
| **শক্তিৰ ব্যৱহাৰ** | ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতিৰ শক্তিৰ মূল উৎসসমূহ **তথ্য-(I)ৰ তালিকা-১৪ত** উল্লেখ কৰা হৈছে।<br>ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৫৬টা, উৎস ঃ বনাঞ্চল, বজাৰ<br>খ) বন্ধন গেছ ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৪টা, উৎস ঃ চৰকাৰ<br>গ) কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৪৫টা, উৎস ঃ মুকলি বজাৰ আৰু সুলভ মূল্যৰ দোকান |
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁওখনত আদিবাসী (চাহ জনজাতি) আৰু নেপালী সম্প্ৰদায়ৰ লোকে বাস কৰে। ইয়াত জাতিগত ব্যৱস্থা আছে। সমাজত কোনো বিশেষ সামাজিক বিভাজন নাই। মহিলাৰ স্থান সন্তোষজনক।<br>**অৰ্থনৈতিক অৱস্থা ঃ** গাঁওখনৰ বাসিন্দাসকলৰ অৰ্থনৈতিক স্থিতি সন্তোষজনক নহয়। মূল জীৱিকাৰ পথ হৈছে— কৃষি, চাহ বাগানত দিন হাজিৰা, দৈনিক হাজিৰা, পাচলি ব্যৱসায় ইত্যাদি। গাঁওবাসীৰ বাৰ্ষিক আয় ২১,০০০-৩০,০০০ টকাৰ ভিতৰত। জীৱিকাৰ বাবে গাঁওখনৰ পৰা প্ৰব্ৰজন কৰা যুৱ প্ৰজন্ম আৰু আন ব্যক্তিৰ সংখ্যা বেছি নহয়। অতিৰিক্ত বিৱৰণ পৰৱৰ্তী শাখাত উপলব্ধ। |
| **মানচিত্ৰ** | পি আৰ এ অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-I (খ)ত সন্নিৱিষ্ট কৰা হৈছে।<br>* গাঁৱৰ মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ)<br>* গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ)<br>* গাঁৱৰ সম্পদ মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ) |

## গ। জীৱিকা সম্পদৰ বিশ্লেষণ

জীৱিকা সম্পদৰ ফ্ৰেমৱৰ্কৰ বিশ্লেষণ নিম্নোক্ত শ্ৰেণীসমূহৰ জৰিয়তে কৰা হৈছে ঃ

* জীৱিকা সম্পদ
* জীৱিকা প্ৰসংগ
* সম্ভাৱনীয় জীৱিকাৰ অগ্ৰাধিকাৰ স্থানাংক

পি আৰ এ অনুশীলনৰ সময়ত ‘ফাণ্ডিং ফৰ ইণ্টাৰনেচনেল ডেভেলপমেণ্ট’ বিভাগৰ নিৰ্বাহক্ষম জীৱিকা ফ্ৰেমৱৰ্ক ব্যৱহাৰ কৰি ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতিৰ জীৱিকাৰ পৰিস্থিতি বিশ্লেষণ কৰা হৈছে। যুটীয়া বন পৰিচালনা সমিতিখনত উপলব্ধ জীৱিকা পৰিস্থিতি তলত উল্লেখ কৰা ধৰণে সুনিৰ্দিষ্ট কৰা হৈছে।

* প্ৰাকৃতিক সম্পদ
* বস্তুগত সম্পদ
* সামাজিক সম্পদ
* মানৱ সম্পদ
* বিত্তীয় সম্পদ।

## ১। প্ৰাকৃতিক সম্পদ

ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতিৰ প্ৰধান প্ৰাকৃতিক সম্পদসমূহ হ'ল— গমাৰি, ভেলকৰ, পমা, শিলিখা, ভোমোৰা, নেফাফু, বাঁহ আৰু গাঁওখনত থকা একমাত্ৰ নদী হৈছে ঘাগৰনদী (এফ ডি পিৰ **৩ নং তালিকাত** সংশ্লিষ্ট)।

কাঠখৰি, সেউজীয়া পশুখাদ্য, কাঠ ইত্যাদিৰ বাবে গাঁওখনৰ লোক বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল। গাঁওবাসীয়ে কৃষি আৰু পশুধন পোহপালৰ বাবে নদীৰ পানী ব্যৱহাৰ কৰে। (অধিক বিৱৰণ এফ ডি পিৰ **তালিকা ৪ (ক) আৰু তালিকা ৪ (খ)ত** উল্লেখ কৰা হৈছে।)

## ২। বস্তুগত সম্পদ

ৰূপহী ৰাজগড় যুটীয়া বন পৰিচালনা সমিতিৰ অধিকাংশ পৰিয়াল কৃষিকাৰ্যৰ সৈতে জড়িত আৰু কিছুসংখ্যক কৃষকৰ ভূমি ২ হেক্টৰতকৈ কম (উপান্ত কৃষক)। ভূমি ধাৰণ ধৰণৰ সবিশেষ **৬ নং তালিকাত (পৰিশিষ্ট-৬)ত** উল্লেখ কৰা হৈছে।

যুটীয়া বন পৰিচালনা সমিতিখনত ২৫টা আধা-পকী, ৫টা পকী আৰু বাকী ৫৬টা ঘৰ কেঁচা। **(পৰিশিষ্ট-৩ৰ ৩.১ নং তালিকা)** শক্তিৰ ব্যৱহাৰৰ বাবে গাঁওবাসীয়ে ব্যৱহাৰ কৰা বিভিন্ন উৎসসমূহ হৈছে জৈৱ গেছ, কেৰাচিন, বিজুলী, ৰন্ধন গেছ আৰু মমবাতি। একেদৰে গাঁওখনৰ লোকসকল ঘৰুৱা আৰু আন ব্যৱহাৰৰ বাবে কেৰাচিন আৰু কাঠখৰিৰ ওপৰত নিৰ্ভৰশীল।

কিছুসংখ্যক পৰিয়ালে ৰন্ধন গেছ ব্যৱহাৰ কৰে যদিও নিৰ্ভৰশীলতা যথেষ্ট কম **(পৰিশিষ্ট-৬ৰ ১৪ নং তালিকা)**। সমিতিৰ অঞ্চলটোত মুঠ চাৰিখন প্ৰাথমিক বিদ্যালয় আছে। যুটীয়া বন পৰিচালনা সমিতিৰ সীমান্তত এখন মজলীয়া বিদ্যালয় আছে। বৰ্তমান অঞ্চলটোত আন কোনো শিক্ষা প্ৰতিষ্ঠান নাই **(সবিশেষ ৩ নং পৰিশিষ্টৰ ৩.১ নং তালিকাত)**।

জলসম্পদৰ ক্ষেত্ৰত, ১৫ শতাংশ পৰিয়ালে নদীৰ ওপৰত আৰু ৩৫ শতাংশ পৰিয়ালে নদী আৰু কুঁৱাৰ দুয়োৰে ওপৰত নিৰ্ভৰশীল **(৬ নং পৰিশিষ্টৰ ১৩ নং তালিকাত সবিশেষ উল্লেখ কৰা হৈছে)**।

## ৩। সামাজিক সম্পদ

যুটীয়া বন পৰিচালনা সমিতিৰ কাৰ্যসমূহত গাঁওবাসী সম্পূৰ্ণৰূপে নিয়োজিত নহয়। কিয়নো ইয়াৰ পৰা লাভ কৰিবলগীয়া উপকাৰিতা, ভূমিকা আৰু কাৰ্যাৱলী সন্দৰ্ভত তেওঁলোক সজাগ নহয়।

গাঁওখনত আত্মসহায়ক গোট আছে। গাঁওখনত নামঘৰ, অংগনৱাড়ী কেন্দ্ৰ, বিষ্ণু মন্দিৰ আৰু চাহ বাগান আছে। য'ত গাঁওবাসীৰ সামাজিক সভা আদি অনুষ্ঠিত হয় (**৩ নং পৰিশিষ্টৰ ৩.১ নং তালিকাত** এই বিষয়ে উল্লেখ কৰা হৈছে)।

## ৪। মানৱ সম্পদ

যুটীয়া বন পৰিচালনা সমিতিখনৰ ৬৩.৭৪ শতাংশ লোক আৰু ৬৩.২৫ শতাংশ লোক অশিক্ষিত। বাকী থকা ৪.১৮ শতাংশ লোক স্নাতক পৰ্যায়ৰ **(৬ নং পৰিশিষ্টৰ ৪ নং তালিকা দ্ৰষ্টব্য)**।

## ৫। বিত্তীয় সম্পদ

যুটীয়া বন পৰিচালনা সমিতিৰ ভিতৰত অথবা সমীপৱৰ্তী অঞ্চলত কোনো ধৰণৰ চৰকাৰী বেংক আৰু ঋণ প্ৰদানকাৰী প্ৰতিষ্ঠান নাই। অৱশ্যে গাঁওবাসীয়ে বেচৰকাৰী সংস্থা অথবা আত্মীয়ৰ পৰা ঋণ গ্ৰহণ কৰে।

২৫জন লোকৰ বেংক একাউণ্ট আছে। কিন্তু তেওঁলোক বিত্তীয় সুবিধাসমূহৰ উপকাৰিতা সন্দৰ্ভে জ্ঞাত নহয়।

## ৬। জীৱিকা প্ৰাসংগিকতা

ৰূপহী ৰাজগড় যুটীয়া বন-পৰিচালনা সমিতিৰ জীৱিকা কাৰ্যসমূহ তলত উল্লেখ কৰা শ্ৰেণীসমূহৰ জৰিয়তে চিনাক্ত কৰা হৈছে।

* জে এফ এম চিৰ মুঠ উপাৰ্জনত নিৰ্দিষ্ট জীৱিকা কাৰ্যসূচীৰ অৱদান
* নিৰ্দিষ্ট জীৱিকা কাৰ্যসূচীৰ কিছু শতাংশ উপাৰ্জন গ্ৰুপৰ অংশগ্ৰহণ
* সম্ভাৱনীয় জীৱিকাৰ অগ্ৰাধিকাৰ স্থানাংক

## ৭। পি আৰ এ অনুশীলনৰ জৰিয়তে প্ৰাধান্য পোৱা স্থানাংক (ৰেংকিং)

ৰূপহী ৰাজগড় যুটীয়া বন-পৰিচালনা সমিতিৰ জীৱিকা কাৰ্যসমূহ তলত উল্লেখ কৰা শ্ৰেণীসমূহৰ জৰিয়তে চিনাক্ত কৰা হৈছে।

**7. Priority Ranking through PRA Exercise**

| | |
|---|---|
| **PRA Exercise** | Team from IIE Guwahati carried out PRA exercise in Rupahi Rajgarh JFMC as follows:<br>**Date:** 17th March, 2017 **Location:** Anganwadi Centre, Rupahi Rajgarh<br>**Numbers Present:** 27<br>**In Presence of:** JFMC President, JFMC Member secretary, community members, Forest Department personnel, JFMC office bearers, Village Headman etc. |
| **Objective of PRA** | The objective was to study the existing household conditions and obtain other primary data about the community for developing the livelihood options and the forest development plan. |
| **Tools Used & Outcomes of the PRA** | Different tools were used and outcomes obtained. These include:<br>Social Mapping<br>Wealth Ranking<br>Time Line review<br>Seasonality of Livelihoods<br>Venn Diagram<br>Chapatti Diagram<br>**Appendix-3** furnishes detailed information of the above. |
| **Ranking** | Ranking exercise has been done for the following:<br>• **Livelihoods & Skills Development**<br>• **Entry Point Activities (EPA)**<br>**Appendix-3** elaborates the above. From the same, it is stated that:<br>**Ranking of Livelihoods & Skills Development**<br>1.Tea Waging<br>2.Handloom<br>3. Bee-Keeping<br>4.Carpentry<br>5. Cane and Bamboo<br>6.Livestock<br>**Ranking of EPA** |

| Rank | Village EPA as ranked | Details (Appendix-3 has additional particulars) | Probable source of funding/deptt. |
|---|---|---|---|
| 1. | Community Hall cum Training Centre | Community hall with infrastructure facility and sanitation facility nearby. | EPA APFBC/ NRDWP |
| 2. | Drinking Water | At least 4-5 ring well | EPA APFBC/ NRDWP |

Approved

Divisional Forest Offr. Lakhimpur Division

10

| | | | |
|---|---|---|---|
| 3. | Sanitation | Providing HHL (House Hold Latrine) - Low cost, septic and sanitary type. | Swach Bharart Mission/ PHED |
| 4. | Waiting Shed | It is required Under the JFMC area. | EPA APFBC/ NRDWP |
| 5. | Road Connectivity | Road connectivity required (2km) | PMGSY/PWD |
| 6. | Tent house | A tent house along with Chairs and Utensils | APFBC |
| 7. | Community Piggery Farm | A community Farm should be setup for Pig rearing and Breeding | APFBC |
| 8. | School/Public Infrastructure and others | A Library with Computer should be setup within the JFMC. and Providing furnitures,School bags for kids | APFBC |

- An arrangement of working capital worth Rs 2 Lacs should be arranged from the EPA fund for promoting Livelihood activities.
- A low Community work shed cum JFMC office to be setup within the JFMC boundaries for setting up and commissioning of Tool kits/Equipment/Machineries.

**Livelihood opportunities**

Livelihood Opportunities of Rupohi Rajgarh JFMC were identified as follows:
Agriculture & Horticulture
Tea waging
Livestock
Weaving
Skills Development
Credit Facility
Additional discussion about the above has been given below in **Appendix-3** (Table 3.8: Priority Ranking of Livelihood Activities)

**Agriculture & Horticulture**

**Table-15** under **Record-II** may be seen in this connection for opportunities in the areas of agriculture and horticulture.

The main constraints are:
(a) Inadequate rainfall and irrigation facilities
(b) Animal Depredation
(c) Prevalence of Pests and inefficient use of insecticides.
(d) Lack of modern tools, equipment and machineries.

The opportunities are:

(a) Nearness to any marketing hub.
(b) Availability of new technologies and farming practices
(c) Rising demand for diversified agricultural products.

The suggested programmes are:
- Tractor operation training
- Agro-skill development programme.
- Training on insecticides, pesticides, hybrid cultivation etc.

| | |
|---|---|
| **পশুধন** | **তথ্য-(II)ৰ তালিকা-১৬ত** পশুধন প্ৰতিপালনৰ সুবিধাসমূহৰ অতিৰিক্ত তথ্য প্ৰদান কৰা হৈছে।<br><br>**মূল প্ৰতিবন্ধকতাসমূহ ঃ**<br>ক) শোচনীয় বিত্তীয় অৱস্থাৰ বাবে মৌ পালনৰ প্ৰয়োজনীয় সা-সৰঞ্জাম বজাৰৰ পৰা ক্ৰয় কৰাত অসামৰ্থ<br>খ) বজাৰ আৰু প্ৰযুক্তি দক্ষতা সম্পৰ্কত পৰ্যাপ্ত জ্ঞানৰ অভাৱ<br>গ) বিভিন্ন সামগ্ৰীৰ বৰ্দ্ধিত চাহিদা সম্পৰ্কে জ্ঞানৰ অভাৱ<br>ঘ) পশুচিকিৎসা ক্লিনিকৰ ব্যৱস্থা নাই<br><br>**সুবিধাসমূহ ঃ**<br>ক) আয় উদ্ভাৱন কাৰ্যসূচী<br>খ) ভাল ঘৰুৱা বজাৰ<br>গ) কৰ্মশক্তিৰ বেছিভাগেই এই কাম-কাজত জড়িত<br><br>**পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল ঃ**<br>ক) ধূপকাঠি প্ৰস্তুত সম্পৰ্কীয় প্ৰশিক্ষণ<br>খ) বয়ন প্ৰশিক্ষণ<br>গ) চিলাই প্ৰশিক্ষণ |
| **কাঠভিন্ন বন উৎপাদন (এন ডব্লিউ এফ পি)** | **তথ্য-(II)ৰ তালিকা-১৭ত** কাঠভিন্ন বন উৎপাদনৰ বিভিন্ন সুবিধাসমূহ সংযোজিত কৰা হৈছে।<br><br>**মূল প্ৰতিবন্ধকতাসমূহ ঃ**<br>ক) এন ডব্লিউ এফ পিৰ পৰ্যাপ্ততা কম<br>খ) প্ৰযুক্তিগত জ্ঞানৰ অভাৱ<br>গ) সংসাধন গোট নাই<br>ঘ) প্ৰশিক্ষিত ব্যক্তি আৰু সুবিধাৰ অভাৱ<br><br>**সুবিধাসমূহ ঃ**<br>ক) সাৰুৱা ভূমিৰ পৰ্যাপ্ততা<br>খ) বনৌষধিৰ ক্ৰমবৰ্দ্ধমান চাহিদা<br><br>**পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল ঃ**<br>ক) খাদ্য উদ্ভিদ ৰোপণ<br>খ) বনৌষধি উদ্ভিধ ৰোপণ আদি |

| | |
|---|---|
| **বিশেষীকৃত দক্ষতা** | **তথ্য-(II)ৰ তালিকা-১৮ত** দক্ষতা উন্নয়নৰ বাবে সুবিধাসমূহ সংযোজন কৰা হৈছে।<br><br>**মূল প্ৰতিবন্ধকতাসমূহ ঃ**<br><br>ক) উৎপাদিত দ্ৰব্যৰ সঠিক দিশ প্ৰদৰ্শনৰ অভাৱ<br><br>খ) উৎপাদিত দ্ৰব্যৰ গুণগতমান সম্পৰ্কে গৱেষণাৰ অভাৱ<br><br>গ) টি কিউ এম প্ৰযুক্তিৰ অভাৱ<br><br>**সুবিধাসমূহ ঃ**<br><br>ক) ভাল যোগাযোগ ব্যৱস্থা উপলব্ধ কৰোৱা<br><br>খ) দক্ষতাসম্পন্ন ব্যক্তিক প্ৰশিক্ষণ<br><br>গ) চৰকাৰৰ পৰা বিত্তীয় সাহায্য<br><br>**পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল ঃ**<br><br>ক) আধুনিক সা-সৰঞ্জাম সম্পৰ্কীয় প্ৰশিক্ষণ<br><br>খ) গাঁওবাসীক আধুনিক প্ৰযুক্তি উপলব্ধ কৰোৱা<br><br>গ) নতুন উৎপাদন আৰু উৎপাদিত সামগ্ৰীৰ সঠিক দিশ নিৰ্দেশনৰ বাবে দক্ষতা উন্নয়ন কৰা আৰু প্ৰশিক্ষণ<br><br>ঘ) কেঁচামালৰ ভঁৰাল স্থাপন<br><br>ঙ) প্ৰাতিষ্ঠানিক ক্ৰেতাৰ দ্বাৰা উৎপাদিত সামগ্ৰী বিক্ৰীৰ যোগাযোগ স্থাপনৰ বাবে উপযুক্ত ব্যৱস্থা উপলব্ধ কৰোৱা |
| **ঋণৰ সুবিধা** | **তথ্য-(II)ৰ তালিকা-১৯ত** এই বিষয়ে আলোচনা কৰা হৈছে।<br><br>**মূল প্ৰতিবন্ধকতাসমূহ ঃ**<br><br>ক) বিত্তীয় সংস্থাৰ অভাৱ<br><br>খ) স্থানীয় ঋণ দিওঁতাৰ অধিক মাত্ৰাত সুত সংগ্ৰহ<br><br>**সুবিধাসমূহ ঃ**<br><br>ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br><br>খ) সজাগতা বৃদ্ধি<br><br>গ) নতুন সা-সৰঞ্জামৰ বাবে ঋণ উপলব্ধ কৰোৱা<br><br>**পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল ঃ**<br><br>ক) পাৰ্শ্বৱৰ্তী এলেকাসমূহত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন |

| | |
|---|---|
| **কৌশলগত হস্তক্ষেপ** | জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে ওপৰত উল্লেখিত পৰামৰ্শমূলক কাৰ্যসূচীসমূহ কৌশলগত হস্তক্ষেপ হিচাপে সাৰাংশ কৰা হৈছে ঃ<br>১) **কৃষি আৰু উদ্যান শস্য ঃ** ট্ৰেক্টৰ চালনাৰ প্ৰশিক্ষণ, কৃষি-দক্ষতা উন্নয়ন কাৰ্যসূচী, পোক-পৰুৱা নিয়ন্ত্ৰণ প্ৰশিক্ষণ, কীটনাশক ব্যৱহাৰৰ প্ৰশিক্ষণ, হাইব্ৰিড কৃষি।<br>২) **পশুধন ঃ** কুকুৰা আৰু গৰু প্ৰতিপালন।<br>৩) **এন ডব্লিউ এফ পি ঃ** খাদ্য উদ্ভিদৰ বিভিন্ন প্ৰজাতি ৰোপণ, ঔষধি গছ ৰোপণ আদি।<br>৪) **বিশেষীকৃত দক্ষতা ঃ** আধুনিক সা-সৰঞ্জাম সম্পৰ্কীয় প্ৰশিক্ষণ, কেঁচা মালৰ বাবে ভঁৰাল স্থাপন, উৎপাদিত সামগ্ৰী প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে বিক্ৰীৰ সুবিধাৰ বাবে ব্যৱস্থা উপলব্ধ কৰোৱা।<br>৫) **ঋণ সুবিধা ঃ** নিকটৱৰ্তী এলেকাসমূহত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

## ঘ। জীৱিকা উন্নয়ন পৰিকল্পনা

| | |
|---|---|
| | institutional buyers.<br>**5. Credit facility:** Organizing the community into forming SHG/JLG and link them with Financial service provider. Setting up modern financial institution in the nearby areas |

## 10. Livelihood Development Plan

| | |
|---|---|
| **Income Generating Activities** | The main income generating activities as planned at the village are:<br>**Farm Sector :**<br>1. Tea wage Earning.<br>2.Farming<br>3.Horticulture<br>**Non-Farm sector**:<br>1. Weaving<br>2. Electrician<br>3. Carpentry<br>4. Tailoring |
| **SHG Activities** | SHGs of the village can plan the following activities:<br>1. To create awareness.<br>2. To organise and form group<br>3. To involve the villagers in Livelihood Activities collectively. |
| **Exposure Trips** | Two Exposure tips to Successful JFMC, within Assam and other States. |
| **Summary of Action Plan** | As attached in next page. |
| **Convergence** | The planned initiatives may be converged with the following schemes of the Government of India:<br>(a) National Rural Employment Guarantee Scheme - for rural employment<br>(b) Rashtriya Krishi Vikas Yojana (RKVY) - for agricultural and allied development<br>(c) Rashtriya Krishi Sinchay Yojana (RKSY) - for irrigation, including watershed development<br>(d) National Rural Livelihoods Mission<br>(e) Skills Development schemes<br>(f) Other schemes for rural development and livelihoods as found appropriate.<br>The above convergence will yield synergies for the present plan, as well as help in sustaining the planned works in the post-project period. |

## ৬। ৰূপহী ৰাজগড় জে এফ এম চিৰ বনোন্নয়ন পৰিকল্পনা

ৰূপহী ৰাজগড় জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও অঞ্চলত বনোন্নয়ন পৰিকল্পনা বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, পাৰিৱেশিক কাৰ্যসূচী আৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত উৎপাদন সক্ষমতা; এক বহনক্ষ্যম ব্যৱস্থাৰে সম্প্ৰদায়ৰ ব্যৱহাৰ আৰু জীৱন ধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

### ১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা

ৰূপহী ৰাজগড় জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰিছে।

ক) বন বিভাগৰ দ্বাৰা জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহ আৰু

খ) বৃক্ষৰোপণ / বৃক্ষৰোপণ কৰিব লগা সম্প্ৰদায়ৰ ভূমি আৰু অন্যান্য ভূমি, যিসমূহ বনাঞ্চলৰ জাননীৰ বাহিৰত

উপৰোক্ত দুয়োটা বিভাগৰে জে এফ এম চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

### ১.১। বনাঞ্চল আৰু তাৰ অৱস্থা

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ প্ৰফৰ্মা-৩ৰ অধীনত তালিকা-৩.১ত দাখিল কৰা হৈছে (**'বনোন্নয়ন পৰিকল্পনা'**), যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপিত এলেকা (বা বৃক্ষৰোপণ কৰিবলগা) বিবেচনা কৰাৰ পিছত, ৰূপহী ৰাজগড় জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ দৰে সাৰাংশ কৰা হৈছে।

**তালিকা-১ ঃ ৰূপহী ৰাজগড় জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৱৰ পৰা দূৰত্ব (কিঃ মিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | | | |
| আৰ এফ / পি এফ, নামঃ ডুলুং সংৰক্ষিত বনাঞ্চল<br>লাট ঃ পথালিপাম<br>ভাগ ঃ | ১৪০ | ১.৫ | ভাল এলেকা ঃ ৯০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৫০ হেক্টৰ | ১২ মাহ |
| **(খ) অন্যান্য ৰোপিত এলেকা** | | | | |
| স্থান ঃ<br>বনাঞ্চলৰ ধৰণ ঃ | | | | |
| **মুঠ** | ১৪৫ হেক্টৰ | | ভাল এলেকা ঃ ৭০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৫০ হেক্টৰ | |

**উৎস ঃ প্ৰফৰ্মা-৩, তালিকা ৩.১** / বন বিষয়া আৰু গাঁওবাসীৰ সৈতে আলোচনা

ইয়াৰ পৰা দেখা গ'ল যে ৰূপহী ৰাজগড় জে এফ এম চিৰ অন্তৰ্গত ১৪৫ হেক্টৰ বনাঞ্চল, য'ত ৯০ হেক্টৰ উক্ত বনাঞ্চলৰ ৯৯ হেক্টৰ 'ভাল' আৰু ৫০ হেক্টৰ 'ক্ষতিগ্ৰস্ত'।

## ১.২। বনভূমিৰ প্ৰকাৰ ঃ

ৰূপহী ৰাজগড় জে এফ এম চিৰ বনাঞ্চল খাৰুৱা প্ৰকৃতিৰ ভূমিত অৱস্থিত। তলৰ তালিকাত এই বনভূমিৰ কিছু বৈশিষ্ট্য উল্লেখ কৰা হ'ল ঃ

**তালিকা- ২ ঃ ৰূপহী ৰাজগড় জে এফ এম চিৰ বনভূমিৰ প্ৰকাৰ**

| স্থিতি | ন্যস্ত বনাঞ্চলৰ অৱস্থা | বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | ৭০ শতাংশ উৰ্বৰ | — |
| ভূমি ক্ষয়ৰ অৱস্থা | ১০% | — |
| উপস্থিতি ঃ<br>(ক) পলস | কম | — |
| (খ) বোকামাটি | ২৫% | — |
| (গ) ন-উৰ্বৰ ভূমি | ৫% | — |
| (ঘ) বালিচাহি | ৬৫% | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'খ। বনভূমি প্ৰকাৰ'** / বন বিভাগৰ বিষয়া আৰু স্থানীয় গাঁওবাসীৰ সৈতে হোৱা আলোচনা।

ৰূপহী ৰাজগড় জে এফ এম চিৰ বাবে বনভূমিৰ প্ৰকাৰৰ বৈশিষ্ট্যসমূহ তলৰ সাৰাংশত দিয়া হ'ল ঃ

ক) এণ্টিছ'ল (৩২.৩%)

খ) ইনছেপ্টিছ'ল (৪৯.৩%)

গ) এলফিছ'ল (১২.৩%)

ঘ) আল্টিছ'ল (৬.১%)

## ১.৩। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ

ৰূপহী ৰাজগড় জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ তলত দিয়া হ'ল। এইটো মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলসমূহ সংৰক্ষিত বনাঞ্চলৰ শ্ৰেণীভুক্ত কৰা হৈছে।

| প্ৰজাতি | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| মুখ্য বন প্ৰজাতি | আজাৰ | লেজেৰষ্ট্ৰ'মিয়াফ্ৰ'ড্ৰেগেঞ্চ পাৰছ |
| | গমাৰি | মেলিনিয়াৰ বৰিয়া লিন্ |
| | ভেল্কৰ | ট্ৰিয়ামুডিফ্লি'ৰা লিন। |
| | পমা | চেড্ৰেলা টুনা |
| | ধূনা | কানাৰিয়াম ৰেছিনিফেৰাম |
| সংঘভুক্ত | শিয়া-নাহৰ | কায়িয়া আছামিকা |
| | চামকঁঠাল | আৰ্টোকাৰ্পাছ চামা |
| | জুতুলি | আল্টিংগিয়া এক্সেলছা |

| | | |
|---|---|---|
| | লেজাই বেত | কালামাছ ফ্ল'ৰিবাণ্ডাছ |
| গুল্ম | জমলাখুঁটি | ক'ষ্টাছ স্পেচিছাছ |
| | নয়নতৰা | কাথাৰান্থাছ ৰ'জ আছ্ |
| | ফুলকঁটা | ষ্টাইৰেক্স ছেৰালেটাম |
| | চাহ গছ | কেমেলিয়া চিনিছিছ্ |
| | চোৰত গছ | লেপ'র্টিয়া ক্রেনুলাটা |
| | পচতিয়া | ভাইটেক্স নেগুণ্ডো |
| ঔষধি উদ্ভিদ | শিলিখা | টার্মিচনালিয়াচেবুলা ৰেইজ্ |
| | ভোমোৰা | ষ্টার্মিনালিয়াবেল্লিৰিকা ৰক্সব্ |
| | থেকেৰা | গার্ছিনিয়া এছ পি |
| | নেফাফু | ক্লেৰ'ডেণ্ড্রাম কলিব্রুকিয়ানাম |
| | ভাতঘিলা | অৰ'ক্সিলাম ইণ্ডিকাম |
| উৎপাদন | বাঁহ | বাম্বুছা ডেণ্ড্ৰকেল্‌মাছ |
| | ঔটেঙা | ডিলেনিয়া ইণ্ডিকাম |
| | খমাল লতা | ড্ৰেগিয়া ভলোবিলিছ্ |
| অন্যান্য, যদি আছে | ডিমৰু | ফাইকাছ্ হিস্পিডা |
| | জামুক | ছিজিজিয়াম কিউমিনি |
| | ৰুদ্ৰাক্ষ | ইলিঅ'কাৰপাছ্ শ্বেৰিকাছ্ |
| | বান্দৰডিমা | ডাইছ'ক্সিলাম্ বাইনেক্টাৰফেৰাম |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'গ।** বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ'/ বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

## ২। বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী

তলৰ উপশাখাসমূহত ৰূপহী ৰাজগড় জে এফ এম চিৰ বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচীসমূহ দিয়া হ'ল ঃ

### ২.১। জে এফ এম চিৰ অতীতৰ সুৰক্ষা ব্যৱস্থা

তৰিয়নি বৰবিল জে এফ এম চিত অতীত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল ঃ

ক) অন্তৰ্ভুক্ত পৰিয়াল ঃ ০

খ) অন্তৰ্ভুক্ত সদস্য ঃ ০

গ) ব্যৱস্থাৰ সাৰাংশ ঃ বন বিষয়াসকলৰ দ্বাৰা পহৰা

ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ উপলব্ধ নহয়

(**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'জে এফ এম চিৰ অৱস্থা**- viii + ix' / বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা)

### ২.২। বনজ উৎপাদনৰ ঘৰুৱা চাহিদা

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৪ (ক) ঃ ৰূপহী ৰাজগড় জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কিভাৱে চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | উচ্চ (১০০%) | ২০ এছটিএমত | বনাঞ্চলৰ পৰা | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | নিয়মীয়া (৫০%) | ৪ এমত | ক্ৰয় | বিভাগ, কাঠফলা মিল, ডিপো |
| কৃষি সঁজুলিৰ বাবে সৰু কাঠ | উচ্চ (৮০%) | ০.০২৫ এমত | বনাঞ্চলৰ পৰা | বনাঞ্চল |
| লাখুঁটি / বাঁহ | নিম্ন(২০%) | ৩০০ আৰএমটিআৰ | বনাঞ্চলৰ পৰা | বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | উচ্চ (১০০%) | ৫ কুইণ্টল | বনাঞ্চলৰ পৰা | বনাঞ্চল |
| এন টি এফ পি | নিম্ন (৫%) | ১০০ আৰএমটিআৰ | বনাঞ্চলৰ পৰা | বনাঞ্চল |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.২'**/ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

ৰূপহী ৰাজগড় জে এফ এম চিত মুঠ ৩২০ ঘৰ পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা এইটো গম পোৱা যায় যে ৰূপহী ৰাজগড় গাঁৱৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজৰ ব্যৱহাৰৰ বাবে তলত দিয়া ধৰণৰ—

**তালিকা- ৪ (খ ) ঃ ৰূপহী ৰাজগড় জে এফ এম চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ৮০-১২০ প্ৰতি বছৰ | বছৰটোৰ বাবে |
| ঘৰৰ বাবে কাঠ | ৫-৬ সংখ্যক / বছৰ | বছৰটোৰ বাবে |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | ৭-৮ সংখ্যক / বছৰ | বছৰটোৰ বাবে |
| লাখুঁটি / বাঁহ | ১-২ সংখ্যক / বছৰ | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ৮০-১২০ প্ৰতি বছৰ | বছৰটোৰ বাবে |
| এন টি এফ পি | ১-৩ প্ৰতি বছৰ | বছৰটোৰ বাবে |

**উৎস ঃ ওপৰৰ তালিকা-৪ (ক)** আৰু সম্প্ৰদায়ৰ তথ্যৰ মুঠ পৰিয়ালৰ সংখ্যা

## ২.৩। গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। ৰূপহী ৰাজগড় জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫ (ক) ঃ ৰূপহী ৰাজগড় জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু / মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ) | |
| কাঠখৰি | — | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — | — |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | — | — | — | — |
| লাখুঁটি | — | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — | — |
| এন টি এফ পি | — | — | — | — |
| অন্যান্য | — | — | — | — |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.৩'**/ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন— অতিৰিক্ত তথ্য**
**ৰূপহী ৰাজগড় জে এফ এম চি**

| বনজ উৎপাদনৰ নাম | উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ) | কেনেদৰে বিপণন কৰা হয় | বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয় |
|---|---|---|---|
| কাঠখৰি | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | — | — | — |
| লাখুঁটি | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.৪'**/ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

**২.৪। বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে**

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত ৰূপহী ৰাজগড় জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ'ল।

**তালিকা- ৬ ঃ ৰূপহী ৰাজগড় জে এফ এম চিৰ গাঁওবাসীৰ বনজ উৎপাদনৰ মুঠ চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা (বাৰ্ষিক কিঃ গ্ৰাঃ) তাৰিকা-৪ (খ)ৰ পৰা | উদ্বৃত্ত বিপণন কৰা হৈছে তালিকা-৫ (খ)ৰ পৰা | মুঠ চাহিদা (কিঃ গ্ৰাঃ) |
|---|---|---|---|
| কাঠখৰি | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | — | — | — |
| লাখুঁটি | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**উৎস ঃ** এই অধ্যায়ৰ **তালিকা-৪ (খ) আৰু ৫ (খ),** পৰৱৰ্তী পৃষ্ঠাসমূহত দিয়া হৈছে।

## ৩। বন সুৰক্ষা সংক্ৰান্তীয় বিষয়

### ৩.১। সুৰক্ষা সমস্যাসমূহ

ৰূপহী ৰাজগড় জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৭ ঃ ৰূপহী ৰাজগড় জে এফ এম চিৰ বন সুৰক্ষা সংক্ৰান্তীয় বিষয়সমূহ**

| সমস্যাৰ ধৰণ | প্ৰাসংগিক (হয়/নহয়) | গুৰুত্ব (হয়/নহয়) |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | হয় | হয় |
| বেআইনিভাৱে কাঠকটা | হয় | হয় |
| কাঠ চোৰাং চালান | হয় | হয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | হয় | হয় |
| বনভূমি বেদখল | শূন্য | শূন্য |
| সাপে কামোৰাৰ ঘটনা/জীৱনৰ ভাবুকি/ বন সুৰক্ষাত বিপদ | জীৱনৰ ভাবুকি | হয় |
| ঔষধি গছৰ চুৰি | নহয় | নহয় |
| অন্যান্য (বিশেষীকৃত) | শোচনীয় আন্তঃগাঁথনিৰ বাবে এই বনাঞ্চলত সুৰক্ষা সমস্যা উদ্ভাৱন হয়। | |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.৫'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

সেয়েহে, উপৰোক্ত জে এফ এম চিত বন সুৰক্ষা সংক্ৰান্তীয় বিষয়ত সন্মুখীন হোৱা বৈশিষ্ট্যসমূহ হ'ল—

ক) চৰণীয়া পথাৰ— স্থানীয় জন্তু

খ) দুৰ্ঘটনাবশতঃ জুই

গ) কাঠৰ চোৰাং চালান

**৩.২। বনাঞ্চল অনুন্নয়নৰ কাৰণসমূহ**

ৰূপহী ৰাজগড় জে এফ এম চিত বনাঞ্চল অনুন্নয়নৰ কাৰণসমূহ তলত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি—

ক) বন ধ্বংস (নিতৌ কাঠখৰি সংগ্ৰহ)

খ) দুৰ্ঘটনাবশতঃ জুই

গ) স্থানীয় জন্তুৰ চাৰণ

ঘ) কোনো বৈজ্ঞানিক পৰিকল্পনা নাই

**(উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৬'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা)

## ৪। বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

ৰূপহী ৰাজগড় জে এফ এম চিত বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ তলৰ উপ-শাখাত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি, যেনে সুৰক্ষাৰ পৰিকল্পনা, বন উন্নয়ন (পৰিচৰ্যা), নাৰ্ছাৰী উন্নয়ন, ব্যৱস্থাপনা আৰু অতিৰিক্ত ক্ৰিয়া।

**৪.১। সুৰক্ষা পৰিকল্পনা**

সুৰক্ষা পৰিকল্পনাৰ বিষয়সমূহ তলত দিয়াৰ দৰে— ৰূপহী ৰাজগড় জে এফ এম চিৰ বন সুৰক্ষা সম্পৰ্কীয় বিষয়সমূহ পূৰ্বে আলোচিত উপ-শাখা ৩.১ৰ পৰা আলোচনা কৰা হৈছে।

**তালিকা- ৮ ঃ ৰূপহী ৰাজগড় জে এফ এম চিৰ সুৰক্ষা পৰিকল্পনা**

| সুৰক্ষা কৰ্ম (প্ৰযোজ্য হিচাপে প্ৰফ'ৰ্মা-৩ৰ তালিকা ৩.৭ৰ পৰা পূৰণ কৰা হ'ব | বনাঞ্চল এলেকাৰ অৱস্থিতি | ব্যৱস্থা গ্ৰহণৰ সংখ্যাগত মান নিৰ্ণয় (দৈৰ্ঘ্য, আয়তন, আকাৰ ইত্যাদি) | সময়-কাল | অগ্ৰাধিকাৰ (উচ্চ /মধ্যম/নিম্ন) |
|---|---|---|---|---|
| পহৰাদাৰ নিয়োগ | হয় | ৰোপিত এলেকাৰ সীমাজুৰি | পুৱা৭ বজাৰ পৰা সন্ধিয়া ৫ বজালৈকে | মধ্যম |
| সৌৰ বেৰ | বনাঞ্চল এলেকা | ৰোপিত এলেকাৰ সীমাজুৰি | চৰণীয়াৰ ঋতু | উচ্চ |
| সলনিভিত্তিক পশুচাৰণ | সীমা | — | শৰত-শীতকাল | উচ্চ |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৭'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

গতিকে, ৰূপহী ৰাজগড় জে এফ এম চিত পৰিকল্পনা কৰা বৈশিষ্টপূৰ্ণ প্ৰতিৰক্ষা ব্যৱস্থাসমূহ (উচ্চ/মধ্যম অগ্ৰাধিকাৰ) তলত দিয়াৰ দৰে—

ক) সৌৰ বেৰ

খ) অগ্নি সুৰক্ষা

## ৪.২। প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ

ৰূপহী ৰাজগড় জে এফ এম চি-ৰ বনাঞ্চলৰ ক্ষতিগ্ৰস্ত এলেকাসমূহৰ নিৰাময়ৰ বাবে প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ তলত উল্লেখ কৰা হ'ল।

**তালিকা- ৯ ঃ ৰূপহী ৰাজগড় জে এফ এম চি-ৰ প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ**

| নিৰাময় ব্যৱস্থা | প্ৰয়োজনীয় (হয়/নহয়) | জে এফ এম চি-ৰ দায়িত্ব (হয়/নহয়) | মাহ/বছৰ যেতিয়া কৰিব পাৰি | নিৰাময় ব্যৱস্থাৰ বাবে প্ৰস্তাৱিত বৰ্ধিত এলেকা (হেক্টৰ) |
|---|---|---|---|---|
| ক্ষতিগ্ৰস্ত বনাঞ্চলৰ পুনৰুদ্ধাৰ | হয় | হয় | মাত্ৰ চৰকাৰৰ দ্বাৰা ব্যৱস্থা গ্ৰহণ | ২০ |
| কটা গছৰ গুৰিৰ সুৰক্ষা | হয় | হয় | ঐ | ১০০ |
| জল বিভাজিকা নিৰাময় | নহয় | নহয় | নহয় | নহয় |
| জলাধাৰ | নহয় | নহয় | নহয় | নহয় |
| ঘাঁহ আৰু তৃণভূমিৰ কাম | নহয় | নহয় | নহয় | নহয় |
| বাঁহ ৰোপণ | নহয় | নহয় | নহয় | নহয় |
| বীজ সিঁচা | হয় | হয় | মাত্ৰ চৰকাৰৰ দ্বাৰা ব্যৱস্থা গ্ৰহণ | ১০০ |
| শিপা আৰু অংকুৰ কটা আৰু ৰোপণ | নহয় | নহয় | নহয় | নহয় |
| কলম আৰু নিৰাময় | নহয় | নহয় | নহয় | নহয় |
| শিলৰ প্ৰাচীৰ-বেৰ | হয় | হয় | মাত্ৰ চৰকাৰৰ দ্বাৰা ব্যৱস্থা গ্ৰহণ | ১০০ |
| সামাজিক বেৰ | নহয় | নহয় | নহয় | নহয় |
| অন্যান্য কাম-কাজ | সজাগতা প্ৰশিক্ষণ | হয় | মাত্ৰ চৰকাৰৰ দ্বাৰা ব্যৱস্থা গ্ৰহণ | — |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৯'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

এইদৰে নিম্নোক্ত নিৰাময় ব্যৱস্থাসমূহ ৰূপহী ৰাজগড় বনাঞ্চল সুৰক্ষাৰ বাবে প্ৰস্তাৱ দিয়া হৈছে।

ক) শিপা আৰু অংকুৰ কটা আৰু ৰোপণ

খ) ক্ষতিগ্ৰস্ত বনাঞ্চলৰ পুনৰুদ্ধাৰ

গ) বীজ সিঁচা

ঘ) শিলৰ প্ৰাচীৰ-বেৰ

ঙ) সজাগতা প্ৰশিক্ষণ

৪.৩।	**বনাঞ্চল উন্নয়ন পৰিকল্পনা— অগ্ৰিম কাম-কাজ আৰু বন সৃষ্টি**

ওপৰত উল্লেখ কৰা বিষয়সমূহৰ সৈতে সংশ্লিষ্ট বিষয়বিলাক তলত দিয়া তালিকাত উল্লেখ কৰা হ'ল।

**তালিকা- ১০ ঃ ৰূপহী ৰাজগড় জে এফ এম চি-ৰ বনাঞ্চল উন্নয়ন পৰিকল্পনা**

| **নিৰাময় ব্যৱস্থা** | **ৰোপণৰ বাবে হেক্টৰৰ হিচাপত নিৰ্দ্ধাৰিত এলেকা** | **ব্লক ৰোপণৰ বাবে অগ্ৰাধিকাৰ** | **প্ৰজাতি** | **স্থান ব্যৱধান (মিটাৰ × মিটাৰ)** |
|---|---|---|---|---|
| প্ৰাকৃতিকভাৱে পুনৰুজ্জীৱিতকৰণত সহায়তা (ৰোপণৰ স্থান ব্যৱধানসহ) | — | — | — | — |
| আবদ্ধ ৰোপণ | ১০ | হয় (আবদ্ধ ৰোপণ) | আজাৰ, জিএগ্ৰা, পমা, ভেল্কৰ, শিমলু | ২×২ |
| ভেষজ উদ্ভিদৰ বীজ সিঁচা | — | — | — | — |
| সমৃদ্ধকৰণ ৰোপণ | — | — | — | — |
| পোনপটীয়া ৰোপণ | ২০ এ পি এফ বি চিৰ অন্তৰ্গত | হয় (আবদ্ধ ৰোপণ) | নিম, আমলখি জামু ইত্যাদি | ২×২ |
| অন্যান্য | — | — | — | — |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৮'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

৪.৪।	**বনাঞ্চল উন্নয়ন — কৰ্ম আঁচনি**

**শাল বহিৰ্ভূত সহযোগী প্ৰজাতিসহ বিভিন্ন প্ৰজাতিৰ বৃক্ষৰ আবদ্ধ ৰোপণৰ কৰ্ম আঁচনি**

| | | |
|---|---|---|
| ৰোপণৰ নাম | ঃ | আবদ্ধ ৰোপণ |
| ৰোপণৰ সময় | ঃ | ২০১৬-১৭ৰ পৰা ২০২৫-২৬ (১০ বছৰ) |
| ৰোপণৰ এলেকা | ঃ | ২০ হেক্টৰ |
| স্থান ব্যৱধান | ঃ | ৩ মিঃ × ৩ মিঃ- ১১০০ পুলি প্ৰতি হেক্টৰত |
| বৃদ্ধি কৰিবলগীয়া উদ্ভিদৰ সংখ্যা | ঃ | ২২,০০০ (৫,৫০০ আনুমানিক, বাৰ্ষিক) |
| ব্লকৰ সংখ্যা | ঃ | ৪টা (প্ৰতিটো ৫ হেক্টৰ) |
| প্ৰজাতি | ঃ | শালবহিৰ্ভূত- সহযোগী অৰ্জুন, সেলেং, পমা, বৰপাট, ওদাল, হলখ, খকন, জুটুলী, আমৰি, বলা ইত্যাদি |
| হাৰ | ঃ | এ পি এফ বি চি এছৰ দ্বাৰা অনুমোদন ক্ৰমে (প্ৰতি দুবছৰৰ মূৰে মূৰে ২০ শতাংশকৈ বৃদ্ধি কৰা হ'ব) |

| রোপণ সৃষ্টিৰ কৰ্ম আঁচনি | | |
|---|---|---|
| বিত্তীয় বৰ্ষ | কাম-কাজ | পৰিমাণ (টকা) |
| | **ক) অগ্ৰিম কাম-কাজ** | |
| ২০১৬-১৭ | ১। ৫ হেক্টৰৰ ১ম ডোখৰ স্থানৰ পৰিষ্কাৰ আৰু জৰীপ @১৫জনৰ দিন হাজিৰা @২৮০ টকা প্ৰতি হেক্টৰ | ২১,০০০/- |
| | ২। নাৰ্ছাৰী স্থাপন প্ৰতিহেক্টৰত ৯জনৰ দিন হাজিৰা @ ২৮০ টকা প্ৰতিহেক্টৰ | ১২,৬০০/- |
| | ৩। অসুৰক্ষিত অঞ্চলত বেৰ নিৰ্মাণ -@ ২,০০০ টকা প্ৰতিহেক্টৰ | ৪০,০০০/- |
| | **খ) সৃষ্টি আৰু আপডাল ঃ** | |
| ২০১৭-১৮* | এপ্ৰিল-জুন মাহত ৫ হেক্টৰৰ ১ম ডোখৰ স্থানত ৪বাৰ নিৰণি আৰু ২য় ডোখৰ ৫ হেক্টৰ মাটি উলিয়াই লৈ পৰৱৰ্তী কামৰ বাবে সাজু কৰা, ৪২০জনৰ দিন হাজিৰা @ ২৮০ টকা প্ৰতিজনৰ | ১,১৭,৬০০/- |
| ২০১৮-১৯* | এপ্ৰিল-জুন মাহৰ ভিতৰত ৫ হেক্টৰৰ ২য় ডোখৰ স্থানত ৰোপণৰ লগতে প্ৰথম বছৰৰ ৪বাৰ নিৰণি আৰু ৩য় ডোখৰ ভূমিৰ বাবে পৰৱৰ্তী বছৰৰ ৫ হেক্টৰ এলেকা সৃষ্টি, ৪২০জনৰ দিন হাজিৰা -@ ২৮০ টকা প্ৰতিজনৰ | ১,১৭,৬০০/- |
| | ২য় বৰ্ষৰ চোৱাচিতা হিচাপে ১ম ডোখৰ স্থানত আগৰ বছৰ (২০১৭-১৮) ৰোৱা পুলিবোৰৰ পৰা মৰা পুলিবোৰ উভালি ৪বাৰ নিৰণি কৰা | ৪২,০০০/- |
| ২০১৯-২০* | এপ্ৰিল-জুন মাহৰ ভিতৰত ৫ হেক্টৰৰ ৩য় ডোখৰ স্থানত ৰোপণ, প্ৰথম বছৰৰ আপডাল ৪বাৰ নিৰণি আৰু ৪ৰ্থ ডোখৰ ভূমিৰ বাবে পৰৱৰ্তী বছৰৰ ৫ হেক্টৰ ৰোপণৰ অগ্ৰীম কাম, ৪২০জনৰ দিন হাজিৰা -@ ২৮০ টকা প্ৰতিজনৰ | ১,১৭,৬০০/- |
| | ৩য় বছৰ আপডাল ৫ হেক্টৰৰ ১ম ডোখৰ স্থানত ৪বাৰ নিৰণি, আগৰ ৰোৱা পুলিবোৰৰ পৰা মৰা পুলিবোৰ উভালি দিয়া, ২০১৭-১৮ বৰ্ষত অগ্নি প্ৰতিৰক্ষা | ৪২,০০০/- |
